PG (CBCS) EVEN SEMESTER EXAMINATION, 2023

ASSAMESE

4th Semester

COURSE NO. ASMCC – 403 (A)

(Classical Sanskrit Literature)

Full Marks : 70
Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer all the questions

Unit – I

১) ‘ৰঘুবংশম’ মহাকাব্যৰ প্ৰথম শ্লোকত কবিয়ে কাৰ কাৰ বন্দনা কৰিছে? এই কাব্য ৰচনা কৰিবলৈ যাওঁতে কবিয়ে ‘ৰামায়ন’ৰ উপৰি কোন কেইখন পুৰাণৰ সহায় লৈছে? কাব্যখনৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত প্ৰকৃতিৰ চিত্ৰন কেনেদৰে ঘটিছে, আলোচনা কৰা। ২+৪+৮=১৪

অথবা

২) মহাৰাজ দিলীপৰ সন্তানহীনতাৰ কাৰণ কি আছিল? ইয়াৰ পৰা মুক্তি পাবলৈ দিলীপে কি কৰিব লগা হৈছিল? দিলীপ আৰু মায়াসিংহৰ কথোপকথনৰ বিষয়ে লিখি ইয়াৰ মাজেৰে দিলীপৰ চৰিত্ৰৰ কোনবোৰ দিশ প্ৰকাশ পাইছে, আলোচনা কৰা। ২+২+৬+৪=১৪

(Turn Over)

Unit – II

৩) কালিদাসৰ নাটকৰ বিশেষত্বসমূহ উদাহৰণসহ দাঙি ধৰি সংস্কৃত নাট্য-সাহিত্যত কালিদাসৰ স্থান নিৰূপন কৰা। ১০+৪=১৪

অথবা

৪) শকুন্তলাই স্বামীগৃহলৈ যাবলৈ ওলোৱাৰ সময়ত কন্ব মুনিয়ে কি কি উপদেশ প্ৰদান কৰিছিল, দাঙি ধৰি 'অভিজ্ঞান-শকুন্তলম্' নাটকত প্ৰকৃতৰ ভূমিকা সম্পৰ্কে এক চমু আলোচনা দাঙি ধৰা। ৬+৮=১৪

Unit – III

৫) ভৱভূতিক 'ৰশ্যৱাক্' বুলি কোৱাৰ যথাৰ্থতা বিচাৰ কৰি 'উত্তৰ ৰামচৰিত' নাটকৰ তৃতীয় অংকত থকা – "একো ৰমঃ কৰুন এৱ নিমিত্ত ভেদাদভিন্নঃ ...." শ্লোকটোৰ তাপৰ্য সংশ্লিষ্ট অংকটোৰ আধাৰত বিচাৰ কৰা। ৪+১০=১৪

অথবা

৬) 'উত্তৰ ৰামচৰিত' নাটকৰ তৃতীয় অংকটোৰ নাম কি? 'বিষ্কম্ভক দৃশ্য' বুলিলে কি বুজা? এই অংকটোত 'তমসা', 'মূৰলা' আৰু 'বাসন্তী দেবী' নামৰ চৰিত্ৰকেইটাৰ ভূমিকা বিচাৰ কৰা। ১+১+১২=১৪

Unit – IV

৭) প্ৰকৰণ কেই প্ৰকাৰ আৰু কি কি? 'মৃচ্ছকটিকম' কোন শ্ৰেণীৰ প্ৰকৰণ? ভাসৰ 'চাৰুদত্ত' নাটকৰ লগত শূদ্ৰকৰ 'মৃচ্ছকটিকম' প্ৰকৰণৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰি এক আলোচনা আগবঢ়োৱা। ১+৩+১+৯=১৪

অথবা

৮) "একাধিক কাৰণত 'মৃচ্ছকটিকম্' প্ৰাচীন ভাৰতীয় নাট্য-পৰম্পৰাত এক ব্যতিক্ৰমৰূপে স্বীকৃত হৈছে আৰু ই ভাৰতীয় নাট্যসাহিত্যৰ ইতিহাসত এক নতুন ধাৰাৰ সৃষ্টি কৰিছে।" - কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰি এক প্ৰবন্ধ যুগুত কৰা। ১৪

Unit – V

৯) 'মৃচ্ছকটিকম'ৰ তলৰ যিকোনো দুটা চৰিত্ৰ সম্পৰ্কে আলোচনা কৰা - ৭+৭=১৪

(ক) বিদূষক মৈত্ৰেয়

(খ) শকাৰ

(গ) শৰ্বিলক

(ঘ) ধূতা

অথবা

১০) 'মৃচ্ছকটিকম' প্ৰকৰণত শৃংগাৰ, কৰুণ বীভস, ৰৌদ্ৰ আৰু বিশেষকৈ হাস্যৰস ৰূপায়নত শূদ্ৰকে পাৰদৰ্শিতা দেখুৱাৰ পাৰিছে। - কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰি এক আলোচনা আগবঢ়োৱা। ১৪

★★★